পাঠ ৪

# আগলি বাঁহত বগলীৰ বাহ



ল'ৰাহঁতে চোৰা বৰহাঁকুটিৰে
লৰাইছে আমৰ ডাল,
কত যে আম ক'ত যে পৰিছে
কাষতেই আছে খাল।




আগলি বাঁহত দেখিছানে বাৰু
বগা বগলীৰ বাহ,
ল'ৰাহঁতৰ এদিন পৰিল চকুত
কৰোঁতে আহ-যাহ।



খুৰাই ক'লে নাভাঙিবা দেই
নিৰীহ চৰাইৰ বাহ,
অতি যতনেৰে বাহটি সাজিছে
গোটাই শুকান ঘাঁহ।



বৰষুণ পৰি হৈছে পিছল
কাষৰ আলি-বাট,
খুৰাৰ দেহাও থৰক-বৰক
বাত-বিষ আছে গাত।



খগেনে খুৰাৰ হাতত ধৰি
ক'লে আগবঢ়াই দি,
বিষোৱা দেহাৰে হাটলৈ বাৰু
নগ'লেনো হয় কি?



## ক্ৰিয়া-কলাপ

ক — পাঠভিত্তিক ক্ৰিয়া



**পদ্যটি আবৃত্তি কৰোঁ আহা**

**পদ্যটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

**পদ্যটিৰ লগত থকা ছবিকেইখন চোৱা আৰু বৰ্ণনা কৰা।**

☞ *পদ্যটি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে যাতে আবৃত্তি কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব দিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*



**তলৰ প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।**



(ক) আমৰ ডাল কোনে লৰাইছে?

(খ) আমৰ ডাল লৰোৱা সঁজুলিটো কি?

(গ) গছৰ কাষতে কি আছে?

(ঘ) বগা বগলীৰ বাহ ক'ত আছে?

(ঙ) আলি-বাটটো কিয় পিছল হৈছে?



**পদ্যটো গদ্যৰূপত কওঁ আহা**

উদাহৰণ -

**পদ্যৰূপ -** ল'ৰাহঁতে চোৰা বৰহাঁকুটিৰে
লৰাইছে আমৰ ডাল
কত যে আম ক'ত যে পৰিছে
কাষতেই আছে খাল।



**গদ্যৰূপ -** চোৰা, ল'ৰাহঁতে বৰহাঁকুটিৰে আমৰ ডাল লৰাইছে। কাষতে খাল আছে। কত যে আম ক'ত যে পৰিছে!

☞ *এনেদৰে পদ্যটোৰ বাকীঅংশৰো গদ্যৰূপ কৰোৱাব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*



**খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**

**তলৰ শব্দবোৰ শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু কাষৰ বাকচত লিখা।**

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| কত | কত | ক'ত | | বল | | ব'ল | |
| গাত | | গাঁত | | বাঁহ | | বাহ | |
| কলা | | ক'লা | | মহ | | ম'হ | |

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

উপযুক্ত স্থানত অ'-কাৰ (') বহুৱাই বাক্যটো শুদ্ধকৈ লিখোঁ আহা

(ক) লৰাবিলাকে পথাৰত লৰা-ঢপৰা কৰিছে।

(খ) মহটোৱে পথাৰত মহৰ কামোৰত নেজ লৰাইছে।

(গ) সিহঁতে দলবান্ধি শিৰদল চাবলৈ গৈছে।

তলৰ খালী ঠাইত বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

বগা বগলী .............. কাউৰী

শুকান ঘাঁহ .............. ঘাঁহ


দুষ্ট ল'ৰা .............. ল'ৰা

মিঠা আম .............. আম



উদাহৰণটো ভালদৰে পঢ়া। তলত দিয়া শব্দকেইটাৰে বাক্য গঠন কৰা।

পঢ়, খায়




☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

শব্দৰ উপযুক্ত স্থানত চন্দ্ৰ বিন্দু ( ঁ ) বহুৱাই কাযৰ বাকচত লিখা।

(ক) বগলীয়ে বাহ গছত বাহ সাজিছে।

(খ) ম'হবোৰে দলনিত ঘাহ খাই আছে।

(গ) ল'ৰাহতে হাকুটিৰে আম পাৰিছে।

(ঘ) আইতাই দাত উলিয়াই হাহিছে।



অৰ্থ জানি লৈ বাক্য গঠন কৰোঁ আহা

হাট ঃ আমাৰ অঞ্চলত দেওবাৰে হাট বহে।

হাত ঃ হাতেৰে আমি কাম কৰোঁ।

বাহ

বাঁহ


কত

ক'ত

নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

## গ — জ্ঞান সম্প্ৰসাৰণ

### সাঁথৰ ভাঙো আৰু কওঁ আহা



(ক) পাঁচটা আখৰেৰে মোৰ নামটি গঠিত,
মিঠাফল বুলি সবাৰো বিদিত।
প্ৰথমে দ্বিতীয়ই মিলি মৌ-ৰস বুজাওঁ,
প্ৰথমে পঞ্চমে মিলি পোহৰ বিলাওঁ,
চতুৰ্থই পঞ্চমে মিলি এটি ফল হওঁ,
ভাবি-গুণি কোৱাচোন মই কোন হওঁ?

(খ) বাঘৰ দৰে জঁপিয়ায়
কুকুৰৰ দৰে বহে,
শিলৰ দৰে তল যায়
তুলাৰ দৰে ভাঁহে।

- ল'ৰাহঁতে হাঁকুটিৰে আম পাৰিছে। তোমালোকে ওখ গছ-বিৰিখৰ পৰা কিহেৰে আৰু কেনেকৈ ফল-ফুল পাৰা তাৰ এখন তালিকা কৰা।

- খগেনে ৰুগীয়া খুৰাকক হাতত ধৰি নিছিল। তোমালোকৰ পৰিয়ালৰ কাৰোবাৰ অসুখ হ'লে তুমি কি কৰা?

## ঘ— প্ৰকল্প

- ডাঠ কাগজত বিভিন্ন চৰাইৰ বাহৰ ছবি আঁকা।

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*